
ফোন নং-৮২৩৩৩

## ছাত্ৰ একতা সভা
# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো
জিলা ঃ- কামৰূপ ( অসম)
পিন -৭৮১১২৩
স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন** তাৰিখ ........



প্ৰ তি বে দ ন

জয় জয়তে দেশ মাতৃৰ বেদীত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ-বীৰঙ্গনা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। প্ৰতিবেদনৰ আৰম্ভণিতে মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল আৰু কাৰ্যালয় সহকাৰী সকললৈ মোৰ কৃতজ্ঞতা যাচিছোঁ। লগতে ১৯৯৮-৯৯ ইং চনৰ বাবে ছাত্ৰ একতা সভাৰ "খেল বিভাগৰ" সম্পাদকৰ পদত নিৰ্বাচন কৰি এই অভাজনক সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই খেল বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ কৰা হয়। মোৰ বিভাগত থকা ক্ৰিকেট,ফুটবল,আৰু ভলীবল প্ৰতিযোগিতাত ছাত্ৰ সকলে খেলুৱৈ সুলভ মানসিকতাৰে খেল খেলি খেলৰ মানদণ্ড উন্নত কৰে।তাৰ বাবে তেওঁলোকলৈ মই আন্তৰিক ধন্যবাদ জনাইছোঁ।

এই চেগতে মই ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা মাগিছো যে আৰ্থিক দিশত কিছু নাটনি হোৱা হেতুকে মোৰ কাৰ্যকালত আন্তঃ মহাবিদ্যালয় ক্ৰিকেট নাইবা ফুটবল খেলত যোগদান কৰা নহ'ল। মোৰ কাৰ্য পৰিচালনা কৰোত মোক বিভিন্ন ধৰণে সহায় সহযোগ তথা দিহা পৰামৰ্শ দি উপকৃত কৰাৰ কাৰণে খেল বিভাগৰ তত্বাৱধায়ক মাননীয় হৰিবুৰ ৰহমান চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

তদুপৰি মোক বিভিন্ন দিশত সহায় কৰা ছাত্ৰ,বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ আৰু লগতে শ্ৰীপদ্মধৰ কলিতালৈও মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সৰ্বশেষত মোৰ কৰ্তব্য পালন কৰোঁতে হোৱা জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটি বোৰৰ ক্ষমা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।'**

ধন্যবাদেৰে-
শ্ৰীকমল কলিতা

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ........ **লঘু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন** তাৰিখ ...........



প্ৰ তি বে দ ন

প্ৰতিবেদনৰ পাতনিতে প্ৰতিবেদন লিখিবলৈ সুবিধা দি মহাবিদ্যালয়ৰ এক গুৰু দায়িত্ব অৰ্পণ কৰা সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। শান্তি পূৰ্ণ নিৰ্বাচন হৈ যোৱাৰ বহু পলমকৈ কাৰ্যভাৱ অৰ্পণ কৰা আৰু তাৰ পাচত খৰতকীয়াকৈ মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ ' মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰিব লগা হোৱাত কৰ্তব্য পালনত অজানিতে হোৱা ভুলৰ বাবে প্ৰথমেই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লগতে অধ্যাপক-অধ্যাপিকা সকলৰ ওচৰত ক্ষমা মাৰ্জনা বিচাৰিছোঁ।

বৰ্ত্তমান ক্ৰীড়া জীৱনৰ অবিচ্ছেদ্য অংগ। ক্ৰীড়া বিদৰ লগতে ক্ৰীড়া প্ৰেমীয়েও ইয়াৰ আৱশ্যকীয়তা বৰ্ণাই শেষ কৰিব নোৱাৰিব। যুদ্ধ ক্ষেত্ৰৰ যোদ্ধাৰ দৰে সম্প্ৰতি ক্ৰীড়াবিদ সকলে যুজ দি নিজৰ পাৰদৰ্শিতা দেখুৱাই নিজকে এজন প্ৰকৃত ক্ৰীড়াবিদ ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ ধৈৰ্য ,চেষ্টা আৰু একাগ্ৰতাৰ প্ৰয়োজন, ঈশ্বৰৰ আশীৰ্বাদৰ নহয়। খেলে মানুহৰ ব্যক্তিত্বৰ লগতে শাৰীৰিক, মানসিক সুস্থতা প্ৰকাশ কৰে। সেয়েহে আমি সকলোৱে কম বেছি পৰিমানে খেলত মনোনিবেশ কৰা উচিত।

আন বছৰৰ দৰে এইবছৰো 'মহাবিদ্যালয় সপ্তাহ' উলহ মালহেৰে উদ্‌যাপন কৰা হয়। এই উৎসৱত ক্ৰীড়া বিভাগত নানা ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কিন্তু পৰিতাপৰ কথা যে প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰীৰ সংখ্যা নিচেই তাকৰ আৰু যিথিনি অংশগ্ৰহণ কাৰী আছিল তেওঁলোকো অনিয়মানুবৰ্ত্তী। তাৰোপৰি প্ৰতিযোগীসকলক উৎসাহিত কৰিবলৈ দৰ্শক নথকাতো আৰু পৰিতাপৰ কথা নহয়নে? সেয়ে 'সপ্তাহটি'ৰ অভিজ্ঞতাৰ পৰা এটা কথা মনলৈ আহে 'মহাবিদ্যালয় সপ্তাহ'টি যেন কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে এক বোজা স্বৰূপ। আমাৰ মহাবিদ্যালয়ে যদিও 'সোণালী জয়ন্তী' বৰ্ষ উদ্‌যাপন কৰিবলৈ আৰু কেইটামান বছৰ বাকী তথাপি আৰ্থিক ফালৰ পৰা ই তেনেই নিশকতীয়া । অৰ্থ অবিহনে যি কোনো ক্ষেত্ৰত উন্নতি অসম্ভৱ। আৱশ্যকীয় সা-সঁজুলীৰ যোগান ধৰিলে আৰু উপযুক্ত প্ৰশিক্ষণ দিলে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাই নিশ্চয় সুখ্যাতি অৰ্জন কৰিব পাৰিব।

কাৰ্যকালৰ আৰম্ভণিতে অধ্যক্ষৰ লগত মতবিৰোধ হোৱা হেতুকে বহু কাম কৰিব পৰা নগ'ল। যাৰ ফল একতা সভাৰ সদস্যৰ লগতে ছাত্ৰ-ছাত্ৰী সকলেও ভোগ কৰাৰ পৰা বঞ্চিত নহ'ল। সেয়েহে ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ মাজত সদভাৱ থকাটো অতি প্ৰয়োজন। অন্যথা মহবিদ্যালয়ৰ উন্নতি সাধনৰ লগতে শালীনতা বজাই ৰখাটো অসম্ভৱ হৈ পৰে।

গুৰুৰ উপদেশৰ লগতে সহযোগীতা ছাত্ৰৰ বাবে অমূল্য ৰতন। মোৰ কাৰ্যকালত সকলো কামতে নানা পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱা ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ বীৰেন্দ্ৰ কুমাৰ বৰ্মন চাৰৰ লগতে অধ্যাপক দ্বিজেন দাস ,নবীন চন্দ্ৰ মুদিয়াৰ,মিৰাজ খান আৰু মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আমাৰ দৰে ছাত্ৰৰ বাবে তেওঁলোকৰ উপদেশ সদায় আদৰণীয়। তদুপৰি মোক প্ৰত্যক্ষ ভাবে সহায় কৰা উজ্জ্বল, মৃণাল, নুৰ , মৃগেন, মিণ্টু, অমল, অৰুণ, বসু, বিশ্ব, বাবুল, বিপুল, সঞ্জয়, কুশল, গীতা, ৰীমা, দীপপ্ৰিয়া, বৰ্ণালী (ভণ্টি)আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। আমাৰ বৰ্ষৰ কাৰ্যালয় সহায়ক পদ্মদা আৰু সভাকাইলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

শেষত অজানিত ভুলৰ বাবে পুনৰবাৰ ক্ষমা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

" জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

ধন্যবাদেৰে-

হেৰম্ব কুমাৰ দাস

ফোন নং-৮২৩৩৩

ছাত্র একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো
জিলা ঃ- কামৰূপ ( অসম)
পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **ছাত্ৰ জিৱণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন** তাৰিখ ......



প্ৰ তি বে দ ন

জয় জয়তে জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ ১৯৯৮-৯৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৱণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ- ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিগত বছৰৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত " মহাবিদ্যালয় সপ্তাহ " বৰ উলাহ-মালহেৰে পালন কৰা হয়। এই 'মহাবিদ্যালয় সপ্তাহত' ছাত্ৰ জিৱণি কোঠাৰ ফালৰ পৰা বিভিন্ন খেলৰ প্ৰতিযোগিতা পতা হয়।

ঐতিহ্যপূৰ্ণ এই শিক্ষানুষ্ঠানত মোৰ কাৰ্য কালছে আমাৰ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত এখন আন্ত: মহাবিদ্যালয় পাঞ্জা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সৌভাগ্য হৈছিল। বহু কেইখন আগশাৰীৰ মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। এই প্ৰতিযোগিতাত বিজেতাৰ সংখ্যা আমাৰ মহাবিদ্যালয়ৰেই সৰ্বাধিক।সৰ্বশ্ৰী লোকপ্ৰিয় দাস, বিশ্বজিৎ কলিতা, মিণ্টু ডাকুৱা, তিলক বসুমতাৰী আৰু ৰুবুল ব্ৰহ্মাই প্ৰতিযোগিতাত জয়ী হৈ আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। মোৰ ফালৰ পৰা তেওঁলোকক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।মোৰ কাৰ্যকালতেই গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আন্ত: পাঞ্জা প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু তথা সাধাৰণ সম্পাদক শ্ৰীলোকপ্ৰিয় দাসে (৪০-৪৫কেজি) বাৰ্ণাছআপৰ সন্মান লাভ কৰি মহাবিদ্যালয়খনলৈ মহান গৌৰৱ কঢ়িয়াই আনে।

মোৰ কাৰ্যকালত সকলো ফালৰ পৰা দিহা পৰামৰ্শ দি মোক সহায় কৰা বাবে তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত প্ৰবোধ চন্দ্ৰ দাস চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে বিভিন্ন দিশত সহায় কৰা বন্ধু অজিত,বাবুল, একলব্য,ধীৰাজ,দেৱজিৎ, লোকপ্ৰিয়, বিবেকানন্দ, নীলমণি,হেমন্ত, সঞ্জয়, বিপুল, পদ্মদা আৰু সভা খুড়াক মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

সদৌশেষত মোৰ অজানিতে হৈ যোৱা ভুল--ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

**' জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ।'**

*ধন্যবাদেৰে-*

*শ্ৰীসোনেশ্বৰ ৰাভা*


ফোন নং-৮২৩৩৩

ছাত্ৰ একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো
জিলা ঃ- কামৰূপ ( অসম)
পিন -৭৮১১২৩
স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন** তাৰিখ ...........



প্ৰ তি বে দ ন

প্ৰতিবেদনৰ আৰম্ভণিতেই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সেই সকল ছাত্ৰ-ছাত্ৰীক যি সকলে মোৰ প্ৰতি আস্থা ৰাখি উত্তেজনাপূৰ্ণ নিৰ্বাচনত মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ ১৯৯৮-৯৯ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰিলে।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত বহুতো অভাৱ অভিযোগ আছে। বিদ্যালয়ত য'ত নেকি আধাখিনিয়েই ছাত্ৰী, তাৰ তুলনাত জিৰণি কোঠাৰ আকাৰ একে বাৰে সৰু। ঠিয় হ'বৰ ঠাই নোহোৱা পৰিস্থিতিৰ বাবে য'তে ত'তে বহিব লগা হোৱা বাবে কলেজত বিশৃংখল পৰিবেশৰ সৃষ্টি হয়। অফ পিৰিয়দটো ভাল দৰে পাৰ কৰিবলৈ খেলা ধূলা বা অন্য কোনো মনোৰঞ্জনৰ সামগ্ৰী একেবাৰে নাই। মোৰ পৰৱৰ্ত্তী সম্পাদিকাক এইবোৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক টানি ধৰিবলৈ অনুৰোধ জনালোঁ।

আমাৰ কাৰ্যকালত মোৰ বিভিন্ন কামত মোৰ লগত যি সকলে হাত উজান দিলে সেই সকলৰ ওচৰত মই কৃতজ্ঞ। মোৰ বিভাগৰ তত্ত্বাৱধায়িকা তথা শ্ৰদ্ধাৰ শ্ৰীপূৰবী ৰাভা বাইদেউৰ পৰা পোৱা দিহা পৰামৰ্শৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। মোৰ বিভিন্ন কামত সহায় আগবঢ়োৱাৰ বাবে গীতা,ৰীমা, দীপপ্ৰিয়া , উপমা ৰূপৰেখা, জিতু আৰু ৰানাৰ শলাগ লৈছোঁ।

সদৌশেষত মোৰ কাৰ্যকালত অজানিত ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

*ধন্যবাদেৰে -*

*দুলুমণি চৌধুৰী*

ফোন নং-৮২৩৩৩

ছাত্ৰ একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পোঃ অঃ-বকো

জিলা ঃ- কামৰূপ ( অসম)

পিন -৭৮১১২৩

স্থাপিত- ১৯৬৪

প্ৰসংগ ঃ **সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন** তাৰিখ ...........



প্ৰতিবেদন

এখন শিক্ষানুষ্ঠান সৰ্বাঙ্গ সুন্দৰ কৰি গঢ়ি তোলাত ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন প্ৰকাৰে অৱদান আগবঢ়াব পৰে। ১৯৯৮-৯৯ চনত মই জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ স্নাতক ১ম বাৰ্ষিক শ্ৰেণীত নাম ভৰ্ত্তি কৰি মই মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ আশা কৰিছিলোঁ। মোৰ এই আশা পূৰ কৰাৰ বাবে ১৯৯৮-৯৯ চনত জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা যাচিছোঁ।

সমাজ সেৱা বিভাগৰ দায়িত্ব আন আন বিভাগতকৈ গুৰুত্বপূৰ্ণ বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এই বিভাগৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছু দিন পিচতেই মহাবিদ্যালয়ৰ বছৰেকীয়া উৎসৱ " মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। দুদিন ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদ চাফাই কৰোৱা হয়। চাফাই কামত পাৰদৰ্শিতা দেখুওৱা পোন্ধৰ গৰাকী ছাত্ৰ-ছাত্ৰীক বটা বিতৰণি সভাৰ দিনা সমাজ সেৱক হিচাপে প্ৰমাণ পত্ৰ দিয়া হয়।

মোৰ কাৰ্যকালচোৱাত মই অনুভৱ কৰা অভাৱৰ কথা উল্লেখ কৰিলোঁ। মহাবিদ্যালয়ৰ চৌহদত এটা শৌচাগাৰৰ অতি প্ৰয়োজন। মহাবিদ্যালয়লৈ চাইকেলেৰে অহা ছাত্ৰ-ছাত্ৰীসকলৰ চাইকেল ৰাখিবৰ কাৰণে 'চাইকেল ষ্টেণ্ড' নাই। আশা কৰো পৰৱৰ্ত্তী বিষয়ববীয়াই এই অভাৱ সমূহ আঁতৰ কৰিবৰ কাৰণে কৰ্তৃপক্ষৰ ওচৰত হেঁচা প্ৰয়োগ কৰিব।

সমাজ সেৱা বিভাগৰ দায়িত্ব পালন কৰা কালছোৱাত মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰ দেৱে যি গঠন মূলক দিহা পৰামৰ্শ দি সহায় কৰিলে,তাৰ বাবে মই তেওঁৰ ওচৰত চিৰকৃতজ্ঞ। আনহাতে বিভাগীয় কাম কাজৰ বিভিন্ন দিশত মোলৈ সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ তত্ত্বাৱধায়ক/তত্ত্বাৱধায়িকা আৰু সদস্য/সদস্যা তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ অজানিতে হোৱা ভুল ক্ৰটিৰবাবে সকলোৰে ওচৰত ক্ষমা খুজি আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

## 'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

ধন্যবাদেৰে-

বিবেকানন্দ ৰাভা

# ১৯৯৮-৯৯ চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ

## ক্ৰীড়া বিভাগৰ ফলাফল (ল'ৰাৰ)

**১০০ মিটাৰ দৌৰ**

১ম- শ্ৰীকুমুদ ৰাভা, উ:মা: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীকৈশৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
৩য়- শ্ৰীঅশ্বিনী বড়ো, উ: মা: ১ম বৰ্ষ (কলা)

**২০০ মিটাৰ দৌৰ**

১ম- শ্ৰীবিপুল খাখলাৰী, স্না: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীকৈশৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
৩য়- শ্ৰীঅশ্বিনী বড়ো, উ: মা: ১ম বৰ্ষ (কলা)

**৪০০ মিটাৰ দৌৰ**

১ম- শ্ৰীকৈশৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীকুমুদ ৰাভা, উ: মা: দ্বিতীয় বৰ্ষ (কলা)

**৮০০ মিটাৰ দৌৰ**

১ম- শ্ৰীকৈশৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীবিপুল খাখলাৰী, স্না: ১ম বৰ্ষ (কলা)
৩য়- শ্ৰীপ্ৰদীপ দাস, স্না: ৩য় বৰ্ষ (কলা)

**১৬০০ মিটাৰ দৌৰ**

১ম- শ্ৰীকৈশৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীকৃষ্ণকান্ত ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)
৩য়- শ্ৰীউদয় ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)

**ৰেলী ৰেইচ্**

১ম- শ্ৰীঅশ্বিনী বড়ো, উ: মা:১ম বৰ্ষ (কলা)
শ্ৰীবামু ছেত্ৰী, উ: মা: ১ম বৰ্ষ (কলা)
শ্ৰীবিশ্ব বড়ো, উ: মা: ১ম বৰ্ষ (কলা)
শ্ৰীকৈশৰ ৰাভা, উ: মা: প্ৰথম বৰ্ষ (কলা)
২য়- শ্ৰীমহানন্দ ৰাভা, স্না: ২য় বৰ্ষ (বিজ্ঞান)
শ্ৰীকুমুদ ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)
শ্ৰীহিৰণ্য গোস্বামী, স্না: ৩য় বৰ্ষ (বিজ্ঞান)
শ্ৰীমৃদুল ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)

**হাই জাম্প-**

১ম- শ্ৰীমৃদুল ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীমৃণাল কোঁৱৰ, স্না: ১ম বৰ্ষ (বিজ্ঞান)

**লং জাম্প-**

১ম- শ্ৰীমৃদুল ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীকুলধৰ ৰাভা, উ: মা:১ম বৰ্ষ (কলা)

**প'লভল্ট -**

১ম- শ্ৰীকুলধৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীসন্তোষ ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)

**ডিচ্কাচ্ থ্ৰ'-**

১ম- শ্ৰীসুবৰ্ণ ৰাভা, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীচৈতন্য ৰাভা, উ: মা:১ম বৰ্ষ (কলা)

**ছটপুট থ্ৰ' -**

১ম- শ্ৰীসুবৰ্ণ ৰাভা, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীচৈতন্য ৰাভা, উ: মা:১ম বৰ্ষ (কলা)

**জেভেলিন থ্ৰ'-**

১ম- শ্ৰীসুবৰ্ণ ৰাভা, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীবিশ্বনাথ বড়ো, উ: মা:১ম বৰ্ষ (কলা)
৩য় শ্ৰীকুমুদ ৰাভা, উ: মা: ২য় বৰ্ষ (কলা)

**চাইকেল ৰেইচ -**

১ম- শ্ৰীএকলব্য ৰাভা, স্না: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীহিৰণ্য গোস্বামী, স্না: ৩য় বৰ্ষ (বিজ্ঞান)

**স্ল'- চাইকেল ৰেইচ -**

১ম- শ্ৰীকমল কলিতা, স্না: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীএকলব্য ৰাভা, স্না: ২য় বৰ্ষ (কলা)

**ফুটবল**

চেম্পিয়ন - উ: মা: ১ম বৰ্ষ (কলা)

**খেলুৱৈসকল**

শ্ৰীঅশ্বিনী বড়ো (অধিনায়ক)
শ্ৰীবামু ছেত্ৰী
শ্ৰীবাবুল ৰাভা
শ্ৰীমুনীন বসুমতাৰী
শ্ৰীকুলধৰ ৰাভা
শ্ৰীনিৰঞ্জন বড়ো
শ্ৰীভীষ্ম বড়ো
শ্ৰীপ্ৰাণজিৎ বড়ো
শ্ৰীকৈশৰ ৰাভা
শ্ৰীজয়ন্ত বৰকাকতী
শ্ৰীনিকুঞ্জ নাথ
শ্ৰীকুমুদ ৰাভা,
শ্ৰীহিৰণ্য গোস্বামী

শ্ৰেষ্ঠ ফিল্ডাৰ -

শ্ৰীহেমন্ত ৰাভা, স্না: ২য় বৰ্ষ (কলা)

## ক্ৰীড়া বিভাগৰ ফলাফল (ছোৱালী শাখা)

### ১০০ মিটাৰ দৌৰ

১ম- শ্ৰীপুষ্পাঞ্জলি ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীজোনালী ৰাভা, স্না: ১ম বৰ্ষ (কলা)

### ২০০ মিটাৰ দৌৰ

১ম- শ্ৰীজোনালী ৰাভা, স্না: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীতৰালী কলিতা, উ: মা: ২য় বৰ্ষ (কলা)

### ৪০০ মিটাৰ দৌৰ

১ম- শ্ৰীপষ্পাঞ্জলি ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীজোনালী ৰাভা, স্না: ১ম বৰ্ষ (কলা)

### ৰেলীৰেইচ্ -

১ম- শ্ৰীদীপপ্ৰিয়া দাস, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীজোনালী ৰাভা, স্না: ১ম বৰ্ষ (কলা)
শ্ৰীতৰালী কলিতা, উ:মা: ২য় বৰ্ষ (কলা)
শ্ৰীজয়মতী ৰাভা, স্না: ১ম বৰ্ষ (কলা)

### লং জাম্প-

১ম- শ্ৰীতৰালী কলিতা, উ: মা: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীজোনালী ৰাভা, স্না:১ম বৰ্ষ (কলা)

### ডিচ্‌কাচ্ থ্ৰ' -

১ম- শ্ৰীৰত্না বসুমতাৰী, উ:মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীমঞ্জু বড়ো, উ:মা: ১ম বৰ্ষ (কলা)

### শ্বটপুট থ্ৰ'-

১ম- শ্ৰীসুনীতা বড়ো, উ:মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীকমল কুমাৰী বড়ো, স্না: ২য় বৰ্ষ (কলা)

### জেভ্‌লিন থ্ৰ'-

১ম- শ্ৰীপুষ্পাঞ্জলি ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীৰীমা অধিকাৰী, স্না: ২য় বৰ্ষ (কলা)

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ -**

শ্ৰীপুষ্পাঞ্জলি ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ**

শ্ৰীকৈশন ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)

## ছাত্ৰী জিৰণি কোঠাৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল -

### বেডমিণ্টন (একক)

১ম শ্ৰীগীতাঞ্জলি কলিতা, স্না: ৩য় বৰ্ষ (কলা)
২য় শ্ৰীচাৰু বৰকাকতী, স্না: ৩য় বৰ্ষ (কলা)

### বেডমিণ্টন (দ্বৈত)

১ম শ্ৰীগীতাঞ্জলি কলিতা, স্না: ৩য় বৰ্ষ (কলা)
শ্ৰীচাৰু বৰকাকতী, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীঅদিতি নাথ, উ: মা: ১ম বৰ্ষ (কলা)
শ্ৰীভানু কাকতী, উ: মা: ১ম বৰ্ষ (কলা)

### কেৰম (একক) -

১ম শ্ৰীদীপপ্ৰিয়া দাস, স্না: ২য় বৰ্ষ (কলা)
২য় শ্ৰীমুকুতা বায়ন, উঃ মা: ২য় বৰ্ষ (কলা)

### ৰিং (একক)-

১ম শ্ৰীভানু কাকতী, উ: মা: ১ম বৰ্ষ (কলা)
২য় শ্ৰীৰীমা অধিকাৰী, স্না: ২য় বৰ্ষ (কলা)

### ৰিং (দ্বৈত)-

১ম শ্ৰীঅদিতি নাথ, উ: মা: ১ম বৰ্ষ (কলা)
শ্ৰীভানু কাকতী, উ: মা: ১ম বৰ্ষ (কলা)
২য় শ্ৰীচাৰু বৰকাকতী, স্না: ৩য় বৰ্ষ (কলা)
শ্ৰীগীতাঞ্জলি কলিতা, স্না: ৩য় বৰ্ষ (কলা)

### পাঞ্জা -

১ম শ্ৰীবিজুমণি ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
২য় শ্ৰীদীপপ্ৰিয়া দাস, স্না: ২য় বৰ্ষ (কলা)

### কইনা প্ৰতিযোগিতা-

১ম শ্ৰীজ্বলিমণি মেধি, উ: মা: ২য় বৰ্ষ (কলা)
২য় শ্ৰীৰীতা ৰয়, স্না: ২য় বৰ্ষ (কলা)
৩য় শ্ৰীসুনীতা আগৰৱালা, উ: মা: ২য় বৰ্ষ (কলা)

### অন্তাক্ষৰী-

১ম শ্ৰীৰূপৰেখা দাস, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীউপমা মেধি, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীৰুণুমণি দাস, স্না: ১ম বৰ্ষ (কলা)
২য় শ্ৰীমিণ্টু ৰয়, স্না: ২ম বৰ্ষ (কলা)
শ্ৰীমিনাক্ষী দাস, স্না: ১ম বৰ্ষ (বিজ্ঞান)
শ্ৰীজোনমণি কলিতা, উ: মা: ২য় বৰ্ষ (বিজ্ঞান)

### সাজপাৰ প্ৰতিযোগিতা -

১ম শ্ৰীদুলুমণি মহন্ত, স্না: ৩য় বৰ্ষ (কলা)
শ্ৰীৰূপৰেখা দাস, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীউপমা মেধি, স্না: ২য় বৰ্ষ (কলা)

## 'ছাত্ৰ জিৰণি কোঠা' ৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

### দবা প্ৰতিযোগিতা-

১ম- শ্ৰীৰূপনাথ বসুমতাৰী
২য়- শ্ৰীএকলব্য ৰাভা, স্না: ২য় বৰ্ষ (কলা)

### কেৰম (একক)-

১ম- শ্ৰীদীপজ্যোতি বড়ো, স্না: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীনিকুঞ্জ কুমাৰ নাথ, উ:মা:১ম বৰ্ষ (কলা)

### কেৰম (দ্বৈত)-

১ম- শ্ৰীদীপজ্যোতি বড়ো, স্না: ১ম বৰ্ষ (কলা)
শ্ৰীনজৰুল হ'ক, স্না: ২য় বৰ্ষ (কলা)

২য়- শ্ৰীমিলনজ্যোতি বড়ো, উ: মা: ১ম বৰ্ষ (কলা)
শ্ৰীনুৰহাছেন আহমেদ, স্না: ১ম বৰ্ষ (বিজ্ঞান)

## কেৰম (মিক্সড ডাব্‌ল)-

১ম- শ্ৰীহেমন্ত কুমাৰ ৰাভা, স্না: ২য় বৰ্ষ (কলা)
মিচ্ দীপপ্ৰিয়া দাস, স্না: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীচৈতন্য ৰাভা, স্না: ১ম বৰ্ষ (কলা)
মিচ্ ৰুণু দাস, স্না: ১ম বৰ্ষ (কলা)

## বেডমিণ্টন (একক)-

১ম- শ্ৰীপ্ৰদীপ দাস, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীমৃণাল কোঁৱৰ, স্না: ১ম বৰ্ষ (বিজ্ঞান)

## বেডমিণ্টন (দ্বৈত)-

১ম- শ্ৰীপ্ৰদীপ দাস, স্না: ৩য় বৰ্ষ (কলা)
শ্ৰীকমল কলিতা, স্না: ১ম বৰ্ষ (কলা)
২য়- শ্ৰীহেমন্ত পাঠক, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীমৃণাল কোঁৱৰ, স্না: ১ম বৰ্ষ (বিজ্ঞান)

## বেডমিণ্টন (মিক্সড ডাব্‌ল)-

১ম- শ্ৰীপ্ৰদীপ দাস, স্না: ৩য় বৰ্ষ (কলা)
মিচ্ চাৰু বৰকাকতী, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীপবিত্ৰ ৰাভা, উ: মা: ১ম বৰ্ষ (কলা)
মিচ্ দীপপ্ৰিয়া দাস, স্না: ২য় বৰ্ষ (কলা)

## পাঞ্জা (৬০ কিঃ গ্ৰেঃৰ ওপৰৰ)-

১ম- শ্ৰীজেম্চ বড়ো, স্না: ৩য় বৰ্ষ (কলা)
২য়- শ্ৰীডিম্বেশ্বৰ বড়ো, উ: মা: ২য় বৰ্ষ (কলা)

## পাঞ্জা (৫০-৬০ কি:গ্ৰে:)-

১ম- শ্ৰীতিলক বসুমতাৰী, উ: মা: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীকুলধৰ ৰাভা, উ:মা: ১ম বৰ্ষ (কলা)

## পাঞ্জা (৫০ কি:গ্ৰে:ৰ তলৰ )

১ম- শ্ৰীজ্যোতিপ্ৰসাদ বড়ো, উ: মা: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীচন্দন কুমাৰ

## চেম্পিয়ন অভ দি চেম্পিয়নছ

শ্ৰীজেম্চ বড়ো, স্না: ৩য় বৰ্ষ (কলা)

## সাজপাৰ প্ৰতিযোগিতা-

১ম- শ্ৰীলোকপ্ৰিয় দাস, স্না: ২য় বৰ্ষ (কলা)
২য়- শ্ৰীএকলব্য ৰাভা, স্না: ২য় বৰ্ষ (কলা)
৩য়- শ্ৰীমিণ্টু ৰয়, স্না: ২য় বৰ্ষ (কলা)

## সাহিত্য বিভাগৰ ফলাফল -

## প্ৰবন্ধ প্ৰতিযোগিতা-

১ম শ্ৰীবশিষ্ঠদেৱ শৰ্মা, স্না:২য় বৰ্ষ (কলা)
২য় শ্ৰীদীপজ্যোতি বড়ো, স্না: ১ম বৰ্ষ (কলা)
শ্ৰীঅৰুণ দাস, স্না: ১ম বৰ্ষ (বিজ্ঞান)

## কবিতা প্ৰতিযোগিতা-

১ম শ্ৰীদেৱজিৎ বৰা, স্না:১ম বৰ্ষ (কলা)
২য় শ্ৰীদীপাংকৰ কলিতা, স্না: ১ম বৰ্ষ (কলা)
শ্ৰীলোকপ্ৰিয় দাস, স্না: ২য় বৰ্ষ (কলা)

## গল্প প্ৰতিযোগিতা-

১ম শ্ৰীদীপাংকৰ কলিতা, স্না:১ম বৰ্ষ (কলা)
২য় শ্ৰীদেৱজিৎ বৰা, স্না: ১ম বৰ্ষ (কলা)

## কাৰ্টুন প্ৰতিযোগিতা-

১ম শ্ৰীদেৱজিৎ বৰা, স্না:১ম বৰ্ষ (কলা)
২য় শ্ৰীবাতুল চৌধুৰী, স্না: ১ম বৰ্ষ (কলা)
মিচ্ চাৰু বৰকাকতী, স্না: ৩য় বৰ্ষ

## থিতাতে লিখা কবিতা প্ৰতিযোগিতা-

১ম শ্ৰীদেৱজিৎ বৰা, স্না:১ম বৰ্ষ (কলা)
শ্ৰীঅৰুণ দাস , স্না: ১ম বৰ্ষ (বিজ্ঞান)
২য় মিচ্ গীতাঞ্জলি কলিতা, স্না: ৩য় বৰ্ষ (কলা)
শ্ৰীদীপজ্যোতি বড়া, স্না: ১ম বৰ্ষ (কলা)

## আবৃত্তি (অসমীয়া)

১ম শ্ৰীঅৰুণ দাস, স্না:১ম বৰ্ষ (বিজ্ঞান)
২য় শ্ৰীবশিষ্ঠদেৱ শৰ্মা, স্না: ২য় বৰ্ষ (কলা)

## আবৃত্তি (হিন্দী)-

১ম মিচ্ মুকুতামণি বায়ন , উ:মা:২য় বৰ্ষ (কলা)
২য় শ্ৰীঅৰুণ দাস, স্না: ১ম বৰ্ষ (বিজ্ঞান)

## আবৃত্তি (ইংৰাজী) -

১ম শ্ৰীঅৰুণ দাস, স্না:১ম বৰ্ষ (বিজ্ঞান)
২য় শ্ৰীবশিষ্ঠদেৱ শৰ্মা, স্না: ২য় বৰ্ষ (কলা)

## আকস্মিক বক্তৃতা প্ৰতিযোগিতা-

১ম শ্ৰীঅৰুণ দাস, স্না:১ম বৰ্ষ (বিজ্ঞান)
২য় শ্ৰীসোণমণি বায়ন, স্না: ১ম বৰ্ষ (কলা)

## তৰ্ক প্ৰতিযোগিতা-

বিষয়-বস্তুঃ 'ছাত্ৰ সমাজত ৰাজনৈতিক সক্ৰিয়তাই শৈক্ষিক পৰিবেশ বিনষ্ট কৰে

১ম শ্ৰীবশিষ্ঠদেৱ শৰ্মা, স্না:২য় বৰ্ষ (কলা)
২য় শ্ৰীঅৰুণ দাস , স্না: ১ম বৰ্ষ (বিজ্ঞান)

## কুইজ প্ৰতিযোগিতা-

১ম শ্ৰীহিৰণ্য গোস্বামী, স্না:৩য় বৰ্ষ (বিজ্ঞান)
শ্ৰীদেৱজিৎ বৰা, স্না: ১ম বৰ্ষ (কলা)
শ্ৰীবাতুল চৌধুৰী, স্না: ১ম বৰ্ষ (কলা)
২য় শ্ৰীবশিষ্ঠদেৱ শৰ্মা, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীদীপাঙ্কৰ কলিতা, স্না: ২য় বৰ্ষ (কলা)
শ্ৰীঅৰুণ দাস, স্না: ১ম বৰ্ষ (বিজ্ঞান)

### বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক

শ্ৰীবশিষ্ঠদেৱ শৰ্মা, স্না:২য় বৰ্ষ (কলা)

## সাংস্কৃতিক বিভাগৰ ফলাফল-

**লোকগীত**
১ম- মিচ বিভা ৰাভা
২য়- মিচ ৰূপলেখা দাস

**বৰগীত**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ দুলুমণি চৌধুৰী

**ভজন**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ বিভা ৰাভা

**গজল**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ বিভা ৰাভা

**আধুনিক গীত**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ বিভা ৰাভা

**ৰাভাগীত**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ বিভা ৰাভা

**বড়ো গীত**
১ম- মিচ বিভা ৰাভা
২য়- মিচ ৰূপলেখা দাস

**ভূপেন্দ্ৰ সংগীত**
১ম- শ্ৰীৰঞ্জিত ৰাভা
২য়- মিচ ৰূপলেখা দাস

**জ্যোতিসংগীত**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ বিভা ৰাভা

**বিষ্ণু সংগীত**
১ম- মিচ ৰূপলেখা দাস
২য়- মিচ বিভা ৰাভা

**বনগীত**
১ম- মিচ বিভা ৰাভা
২য়- মিচ ৰূপলেখা দাস

**বিহু গীত**
১ম- শ্ৰীমিণ্টু কুমাৰ ৰয়
২য়- শ্ৰীবিকাশ দাস

**আধুনিক নৃত্য**
১ম- মিচ দীপপ্ৰিয়া দাস
২য়- শ্ৰীঅজয় কুমাৰ ৰাভা
শ্ৰীমিণ্টু কুমাৰ ৰয়

**নিচুকীয়া পুৰস্কাৰ**
শ্ৰীমিণ্টু কুমাৰ ৰয়

**কৌতুক**
১ম- শ্ৰীঅৰুণ দাস
২য়- শ্ৰীচানৈক্য কলিতা

**নিচুকীয়া পুৰস্কাৰ**
শ্ৰীবশিষ্ঠদেৱ শৰ্মা

**একক বিহু নৃত্য**
১ম- মিচ লক্ষ্মী কলিতা
২য়- মিচ উপমা মেধি
৩য়- ডলী দেৱী

**ভেশ্চন প্ৰতিযোগিতা**
১ম- শ্ৰীভূবনেশ্বৰ বড়ো স্না:৩য় বৰ্ষ (কলা)
২য়- শ্ৰীবুলু মজুমদাৰ উ: মা: ২য় বৰ্ষ (কলা)

**নিচুকীয়া পুৰস্কাৰ -**
শ্ৰীপৰীক্ষিত দাস স্না: ৩য় বৰ্ষ (কলা)

□○□

কৰ্মৰত অৱস্থাত বৰ্তমানৰ অধ্যক্ষ

# ড° ৰমাকান্ত বৰুৱা




# আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষসকল




প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ
(ইং ১-৯-৬৫ পৰা ৩১-৫-৯৫ লৈ )



শ্ৰীযুত বসন্ত কুমাৰ দত্ত ( ভাৰপ্ৰাপ্ত )
(ইং ১-৬-৯৫ পৰা ৩১-৩-৯৮ লৈ )



শ্ৰীযুত শৰৎ চন্দ্ৰ হাজৰিকা
(ইং ১-৪-৯৮ পৰা ১৪-৭-৯৮ লৈ )



শ্ৰীযুত ধৰ্মকান্ত বৰুৱা ( ভাৰপ্ৰাপ্ত )
(ইং ১৫-৭-৯৮ পৰা ২৪-৮-৯৮ লৈ )



মহাবিদ্যালয় সপ্তাহৰ বঁটা
বিতৰণী সভাত বিশিষ্ট অতিথি
গীতিকবি শ্ৰীযুত কেশৱ মহন্ত



আদৰণি সভাত স্বনামধন্যা
অভিনেত্ৰী শ্ৰীযুতা মলয়া গোস্বামী


# মিঠা সোঁৱৰণি

নৱাগত আদৰণি
সভাৰ পতাকা
উত্তোলন কৰিছে
মহাবিদ্যালয়ৰ
অধ্যক্ষ
ড° ৰমাকান্ত
বৰুৱাদেৱে






নৱাগত আদৰণি সভাত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰিছে অৱসৰ প্ৰাপ্ত শিক্ষক শ্ৰীযুত পদ্মৰাম মহন্তদেৱে



দেওচৰ গাঁৱৰ বানপানীত উটুৱাই নিয়া দলং মেৰামতি কৰি থকা মুহূৰ্তত আমাৰ মহাবিদ্যালয়ৰ এন. এছ. এছ-ৰ দলটো

# উদিত প্ৰতিভাৰ জিলিঙনি



বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
কৈশৰ ৰাভা




বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ
পুষ্পাঞ্জলি ৰাভা




বছৰৰ শ্ৰেষ্ঠা কণ্ঠশিল্পী
ৰূপৰেখা দাস

আমাৰ মহাবিদ্যালয়ৰ সৌজন্যত সদৌ অসম আন্তঃ মহাবিদ্যালয় পাঞ্জা প্ৰতিযোগিতাত ১ম পুৰস্কাৰ বিজয়ী ৰুবুল ব্ৰহ্ম ( ৫০- ৫৫ কে. জি.)



কলা শাখাৰ স্নাতক পৰীক্ষাত শিক্ষা বিষয়ৰ মেইজৰত প্ৰথম শ্ৰেণী লাভ কৰা গীতাঞ্জলি কলিতা

আমাৰ মহাবিদ্যালয়ৰ সৌজন্যত সদৌ অসম আন্তঃ মহাবিদ্যালয় পাঞ্জা প্ৰতিযোগিতাত ১ম পুৰস্কাৰ বিজয়ী তিলক বসুমতাৰী



লোক প্ৰিয় দাস

সদৌঅসম আন্তঃ মহাবিদ্যালয় পাঞ্জা প্ৰতিযোগিতাত গুৱাহাটী বিঃ বিঃ আইন মহাবিদ্যালয়ত ২য়, আমাৰ মহাবিদ্যালয়ত ১ম আৰু কামৰূপ জিলা ভিত্তিত ১ম পুৰস্কাৰ বিজয়ী লোক প্ৰিয় দাস ( ৪০-৫০ কে, জি )



আমাৰ মহাবিদ্যালয়ৰ সৌজন্যত সদৌ অসম আন্তঃ মহাবিদ্যালয় পাঞ্জা প্ৰতিযোগিতাত ১ম পুৰস্কাৰ বিজয়ী বিশ্বজিৎ কলিতা ( ৫০- ৫৫ কে. জি.)




আমাৰ মহাবিদ্যালয়ৰ সৌজন্যত সদৌ অসম আন্তঃ মহাবিদ্যালয় পাঞ্জা প্ৰতিযোগিতাত ১ম পুৰস্কাৰ বিজয়ী মিণ্টু ডাকুৱা ( ৪৫-৫০ কে, জি)

# আলোকচিত্ৰত ক্ৰমে মহাবিদ্যালয়ৰ



কলা ভৱন



বিজ্ঞান ভৱন



গ্ৰন্থাগাৰ